আমাৰ অসম

Date : 22-Feb-16 Page : 15

# নুমলীগড় মাৰাথনত শ্ৰেষ্ঠ কেনিয়াৰ কিপ্ল'ঘাট





নুমলীগড় আৰু মৰঙিৰ প্ৰতিবেদক, ২১ ফেব্ৰুৱাৰী : নুমলীগড় শোধনাগাৰৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত নুমলীগড় মাৰাথনৰ দহ কিলোমিটাৰ শাখাত চেম্পিয়ন হয় কেনিয়াৰ ছেইমান কিপ্ল'ঘাট। কেনিয়াৰে পিটাৰ মিয়ানগিনগা দ্বিতীয় আৰু গুৱাহাটীৰ ছামছুদ্দিন তৃতীয় স্থানত থাকে। চতুৰ্থৰ পৰা দশম স্থানত থাকে ক্ৰমে যোৰহাটৰ বাবুল চুতীয়া, গুজৰাটৰ হৰিকেশ মুৰিয়া, গুৱাহাটীৰ ছহিদুল ইছলাম, বৰপেটাৰ ৰবীন দাস, নুমলীগড়ৰ হেমন্ত ৰয়, গোলাঘাটৰ বিজয় ওৰাং আৰু গুৱাহাটীৰ পবিত্ৰ তিগা। দহ কিলোমিটাৰৰ মহিলাৰ শাখাৰ প্ৰথম পাঁচটা স্থানত থাকে ক্ৰমে গুৱাহাটীৰ মাতেৱাৰা আহমেদ, সূৰ্য ভূএল, খুমটাইৰ দীপালী কুৰ্মী, গুৱাহাটীৰ ভানু ডেকা বৰদলৈ আৰু নুমলীগড়ৰ ভাৰতী চাহ। পাঁচ কিলোমিটাৰৰ পুৰুষৰ শাখাৰ প্ৰথম পাঁচটা স্থানত থাকে ক্ৰমে গুৱাহাটীৰ হবিবুল আহমেদ, আজেৰ আলী, জেহিদুল আলী, পানীদিহিঙিয়াৰ পংকজ চেতিয়া আৰু নুমলীগড়ৰ উৎপল শৰ্মা। পাঁচ কিলোমিটাৰৰ মহিলাৰ শাখাত শীৰ্ষৰ পাঁচটা স্থান লাভ কৰে ক্ৰমে মেনোৱাৰা খাটুন, গোলাঘাটৰ সুমিত্ৰা মিৰ্ধা, আছমা পাৰবীন, পকোৰ মিনাক্ষী গগৈ আৰু নুমলীগড়ৰ অংকিতা ৰৰা। তিনি কিলোমিটাৰৰ পুৰুষৰ শাখাৰ শীৰ্ষৰ তিনিজন প্ৰতিযোগী হৈছে— বাদুলিপাৰাৰ নভজ্যান তিয়াৰ, বোকাখাতৰ হেমন্ত ৰৰা আৰু লকনঘাটৰ আকাশ শ্যাম। তিনি কিলোমিটাৰৰ মহিলাৰ শাখাৰ শীৰ্ষ তিনিটা স্থান লাভ কৰে ক্ৰমে নুমলীগড় উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভৱানী কছাৰী, নামটেঙৰ মইনা পাঠৰি আৰু ননি মিগুৱাৰে। ২,৪০০ প্ৰতিযোগীয়ে ভাগ লোৱা নুমলীগড় মাৰাথনৰ বাবে নুমলীগড় শোধনাগাৰ কৰ্তৃপক্ষই ২.৬৮ লাখ টকাৰ প্ৰাইজমানী আগবঢ়াইছিল। দহ কিলোমিটাৰ শাখাৰ শ্ৰেষ্ঠ প্ৰতিযোগী কেনিয়াৰ কিপ্ল'ঘাটে লাভ কৰে ২৫ হাজাৰ টকা। প্ৰতিযোগিতাৰ অন্তত বঁটা বিতৰণী অনুষ্ঠানত প্ৰাক্তন এথলীট, অৰ্জুন বঁটাপ্ৰাপক ভোগেশ্বৰ বৰুৱা, টেবুল টেনিছ খেলুৱৈ মনালিছা বৰুৱা মেহতা, কমলেশ মেহতা, শৰীৰ চৰ্চাবিদ মহাদেৱ ডেকাৰ লগতে অভিজিৎ বৰুৱা, শুভ্ৰজিত শইকীয়া, শিল্পী প্ৰাঞ্জল শইকীয়া, পূৰ্ণিমা পাঠক শইকীয়া আৰু বৰবাবাণী বিষয়াও উপস্থিত থাকে।